আল্লাহুম্মা ইন্নী আ’উজু বিকা মিনাল আ’জঝি অল কাছাল, অল জুব্নি, অল বুখল, অল হাৰাম। ৱা আজাবিল-কাব্ৰ। আল্লাহুম্মা আতি নাফ্ছী তাক্বৱাহা, অঝাক্কিহা আন্তা খাইৰু মান ঝাক্কা-হা, আন্তা অলিয়্যুহা ৱা মাওলাহা। আল্লাহুম্মা ইন্নী আ’উজু বিকা মিন ইল্মিল্ লা য়ান্ফা’, অমিন ক্বাল্বিল্ লা য়াখ্শ্বা’, অমিন নাফ্ছিন লা তাশ্ববা’, অমিন দা’ৱাতিল্ লা ইউস্তাজাবু লাহ।" অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা আৰু বৃদ্ধ অৱস্থাৰ পৰা, লগতে কবৰৰ শাস্তিৰ পৰা। হে আল্লাহ! মোৰ অন্তৰত তাক্বৱা দান কৰা, আৰু ইয়াক পৰিশুদ্ধ কৰি দিয়া, কাৰণ তুমিয়ে সৰ্বোত্তম পৰিশুদ্ধকাৰী। তুমিয়েই ইয়াৰ অভিভাৱক আৰু ৰক্ষক। হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ এনেকুৱা জ্ঞানৰ পৰা, যিটো কোনো উপকাৰ নকৰে, আৰু এনেকুৱা অন্তৰৰ পৰা যিটো তোমাৰ ভয়ত কম্পিত নহয়, এনেকুৱা নফছৰ পৰা যিটো কেতিয়াও তৃপ্ত নহয়, আৰু এনেকুৱা দুআৰ পৰা যিটো কবূল কৰা নহয়।

ঝায়েদ ইবনে আৰক্বাম ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই তোমালোকক তেনেকৈয়ে কম যিদৰে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিল, তেখেতে এইদৰে পাঠ কৰিছিলঃ "আল্লাহুম্মা ইন্নী আ’উজু বিকা মিনাল আ’জঝি অল কাছাল, অল জুব্নি, অল বুখল, অল হাৰাম। ৱা আজাবিল-কাব্ৰ। আল্লাহুম্মা আতি নাফ্ছী তাক্বৱাহা, অঝাক্কিহা আন্তা খাইৰু মান ঝাক্কা-হা, আন্তা অলিয়্যুহা ৱা মাওলাহা। আল্লাহুম্মা ইন্নী আ’উজু বিকা মিন ইল্মিল্ লা য়ান্ফা’, অমিন ক্বাল্বিল্ লা য়াখ্শ্বা’, অমিন নাফ্ছিন লা তাশ্ববা’, অমিন দা’ৱাতিল্ লা ইউস্তাজাবু লাহ।" অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা আৰু বৃদ্ধ অৱস্থাৰ পৰা, লগতে কবৰৰ শাস্তিৰ পৰা। হে আল্লাহ! মোৰ অন্তৰত তাক্বৱা দান কৰা, আৰু ইয়াক পৰিশুদ্ধ কৰি দিয়া, কাৰণ তুমিয়ে সৰ্বোত্তম পৰিশুদ্ধকাৰী। তুমিয়েই ইয়াৰ অভিভাৱক আৰু ৰক্ষক। হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ এনেকুৱা জ্ঞানৰ পৰা, যিটো কোনো উপকাৰ নকৰে, আৰু এনেকুৱা অন্তৰৰ পৰা যিটো তোমাৰ ভয়ত কম্পিত নহয়, এনেকুৱা নফছৰ পৰা যিটো কেতিয়াও তৃপ্ত নহয়, আৰু এনেকুৱা দুআৰ পৰা যিটো কবূল কৰা নহয়। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰায়ে এই দুআটো পাঠ কৰিছিল : "আল্লাহুম্মা ইন্নী আউযু বিকা" (অৰ্থাৎ হে আল্লাহ ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ), "মিনাল-আজঝি" (অক্ষমতাৰ পৰা—য'ত উপযুক্ত উপায় অৱলম্বন কৰাৰ সামৰ্থ্য নাথাকে), "অল-কাছলি" (অলসতাৰ পৰা বা হেমাহিৰ পৰা—য'ত কাম কৰাৰ ইচ্ছাই নাথাকে), "অল-জুবনি" (কাপুৰুষতাৰ পৰা —য'ত কৰিবলগীয়া কামৰ পৰা পিছুৱাই যোৱা হয়), "অল-বুখলি" (কৃপণতাৰ পৰা —দান কৰাৰ পৰা বিৰত থকা), "অল-হাৰামি" (বৃদ্ধাৱস্থাৰ পৰা —যিটো বয়সত শৰীৰ দুৰ্বল হৈ পৰে), "ৱা আযাবিল-কাব্ৰি" (কবৰৰ শাস্তিৰ পৰা—লগতে এনেকুৱা শাস্তিৰ সন্মুখীন হ'ব পৰা সকলো উপায় উপকৰণৰ পৰা)। "আল্লাহুম্মা আতি নাফচী" (অৰ্থাৎ হে আল্লাহ ! মোৰ অন্তৰক দান কৰা তথা তাওফীক দিয়া), "তাকৱাহা" (অৰ্থাৎ আজ্ঞা পালন আৰু গুনাহৰ পৰা বিৰত ৰাখি আল্লাহভীৰু হোৱাৰ তাওফীক দিয়া), "অঝাক্কিহা" (লগতে নিকৃষ্ট বৈশিষ্ট্য আৰু বেয়া চৰিত্ৰৰ পৰা পৱিত্ৰ কৰা), "আন্তা খাইৰু মান ঝাক্কা-হা" (তুমিয়ে শ্ৰেষ্ঠ পৱিত্ৰকাৰী, তোমাৰ বাহিৰে আন কাৰো শক্তি নাই ইয়াক পৰিষ্কাৰ কৰাৰ), "আন্তা অলীয়্যুহা" (তুমিয়ে ইয়াৰ অভিভাৱক, সহায়ক আৰু ৰক্ষক), "অমাওলাহা" (ইয়াৰ যাৱতীয় বিষয়ৰ মালিক, প্ৰতিপালক আৰু অনুগ্ৰহকাৰী)। "اللَّهُمَّ إِنِّي أَعُوذُ بِكَ مِنْ عِلْمٍ لَا يَنْفَعُ" (অৰ্থাৎ হে আল্লাহ ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ অসাৰ জ্ঞানৰ পৰা —যেনে জ্যোতিষশাস্ত্ৰ, ভৱিষ্যৎবাণী, যাদুবিদ্যা আদিৰ পৰা, যি জ্ঞানে আখিৰাতত উপকাৰ নকৰে বা যি জ্ঞান অনুসৰি আমল কৰা নহয়), "وَمِنْ قَلْبٍ لَا يَخْشَعُ" (এনে হৃদয়ৰ পৰা, যি তোমাৰ ভয়ত নত নহয়, বিনয়ী নহয়, শান্ত নহয় আৰু তোমাৰ স্মৰণত সুস্থিৰ নহয়), "وَمِنْ نَفْسٍ لَا تَشْبَعُ" (এনে মনৰ পৰা, যি কেতিয়াও তৃপ্ত নহয়, আল্লাহে যি হালাল আৰু পবিত্ৰ জীৱিকা দান কৰিছে তাৰ দ্বাৰা সন্তুষ্ট নহয়), "وَمِنْ دَعْوَةٍ لَا يُسْتَجَابُ لَهَا" (লগতে এনে দুআৰ পৰা, যি গ্ৰহণ নহয় বা যিটো কবুল কৰা নহয়)।

http://www.sunnah.global/hadeeth/as/show/5878